PG AS S2 C04

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম
(চি.বি.চি.এচ; এন. ই. পি ২০২০ অনুসৰি)
দ্বিতীয় ষাণ্মাসিক

# অসমীয়া সংস্কৃতি আৰু গৱেষণা-প্ৰণালী পৰিচয়

পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

## বিষয় বিশেষজ্ঞ মণ্ডলী

**ড° দীপ্তি ফুকন পাটগিৰি,** অধ্যাপক, (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
**ড° উপেন ৰাভা হাকাচাম,** অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
**ড° বিমল মজুমদাৰ,** অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

**পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**ড° সঞ্জীৱ বৰা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

## প্রস্তুতি গোটৰ সদস্য

| অধ্যায় | লেখক |
|---|---|
| **১, ৫ আৰু ৬** | ড° মিলন নেওগ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও |
| **২, ৩ আৰু ১১** | ড° নির্মালি দাস, কোক্ৰাঝাৰ চৰকাৰী মহাবিদ্যালয়, কোক্ৰাঝাৰ |
| **৪ আৰু ১১** | ড° প্রফুল্ল কুমাৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয় |
| ৫ | ড° মিলন নেওগ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও |
| | জয়শ্রী কলিতা, দিচপুৰ মহাবিদ্যালয়, গুৱাহাটী |
| ৭ | জয়শ্রী কলিতা, দিচপুৰ মহাবিদ্যালয়, গুৱাহাটী |
| ৮ | ড° হৰিপ্রসাদ বৰুৱা, লোকপ্রিয় অমিয় কুমাৰ দাস মহাবিদ্যালয়, ঢেকিয়াজুলি |
| ৯ | ড° পাচান আলি আহমেদ, পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয় |
| ১০ | ড° বিমল মজুমদাৰ, গুৱাহাটী বিশ্ববিদ্যালয় |
| ১২ | ড° সঞ্জীৱ বৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় |
| ১৩ | ড° সঞ্জীৱ বৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় |
| ১৪ | ড° সঞ্জীৱ বৰা, ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় |

**সম্পাদনা ঃ ড°প্রাণজিৎ বৰা, ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
**বিষয়বস্তু, ভাষা আৰু গাঁথনিক সম্পাদনা ঃ ড°প্রাণজিৎ বৰা, ড° নিভা ৰাণী ফুকন, ড° অপু বৰা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

মার্চ, ২০২৩

*This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/*

ISBN: xxxxx xxxxxx xxxxxx

*কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।*

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
নগৰ চৌহদ ঃ ৰাষ্ট্রীয় ঘাইপথ-৩৭, ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; www.kkhsou.ac.in

# পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া সংস্কৃতি আৰু গৱেষণা-প্ৰণালী পৰিচয়

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ চতুৰ্থ পাঠ্যবিষয়। এইখন পাঠ্যবিষয় পৰিকল্পনা কৰা হৈছে অসমীয়া সংস্কৃতি আৰু গৱেষণা-প্ৰণালীৰ বিষয়ে সম্পৰ্কে আপোনাক সম্যক ধাৰণা প্ৰদান কৰিবৰ বাবে। আপুনি নিশ্চয় জানে যে, কোনো এটা জাতিৰ বিষয়ে সম্পূৰ্ণভাৱে অধ্যয়ন কৰিবলৈ হ'লে আমি সেই জাতিৰ সংস্কৃতি সম্পৰ্কেও কিছু কথা অধ্যয়ন কৰিব লাগিব। অন্যথা আমি সেই জাতি সম্পৰ্কে সঠিক ধাৰণা লাভ কৰিব নোৱাৰিম। এতিয়া প্ৰশ্ন হ'ল, সংস্কৃতি মানেনো কি? সাধাৰণভাৱে সংস্কৃতি বুলিলে আমি মানুহৰ সামাজিক আচৰণ বিশেষকে বুজি পাওঁ। সামাজিক জীৱ হিচাপে মানুহে সম্পাদন কৰা বিভিন্ন কৃতিৰ সমন্বয়তে সংস্কৃতিৰ জন্ম। তেতিয়া হ'লে এই কথাষাৰৰ সূত্ৰ ধৰিয়েই আমি ক'ব পাৰোঁ যে, অসমীয়া মানুহে সম্পাদন কৰা কাৰ্য বা সমাজ-জীৱনৰ লগত সংপৃক্ত দিশসমূহেই অসমীয়া সংস্কৃতি। আপুনি নিশ্চয় এই বিষয়ে জ্ঞাত যে, অসম দেশ বিভিন্ন জাতি-জনজাতি-জনগোষ্ঠীৰ মিলনভূমি। বিভিন্ন জাতি-জনজাতি-জনগোষ্ঠীয় সংস্কৃতিৰ সংমিশ্ৰণতে বৃহৎ অসমীয়া সংস্কৃতিয়ে গঢ় লৈছে। এই পাঠ্যবিষয়খনত আমি অসমীয়া সংস্কৃতিৰ লগতে গৱেষণা কি, ইয়াৰ প্ৰয়োজনীয়তা, বিভিন্ন প্ৰণালী, প্ৰকাৰভেদ, আঁচনি-সাৰ প্ৰস্তুত, তথ্য সংগ্ৰহ আৰু ইয়াৰ বিশ্লেষণ আদি কেতবোৰ দিশ সম্পৰ্কে বিশদভাৱে আলোকপাত কৰিম।

এই পাঠ্যবিষয়খন সৰ্বমুঠ চৈধ্যটা অধ্যায়েৰে সজোৱা হৈছে। প্ৰথম অধ্যায়টি হৈছে লোকসংস্কৃতিৰ সাধাৰণ আভাস। ইয়াত লোকসংস্কৃতি কি, ইয়াৰ বৈশিষ্ট্যসমূহ, শ্ৰেণীবিভাজন সম্পৰ্কে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত অসমীয়া লোকসংস্কৃতিৰ পৰিচয়ৰ লগতে ইয়াৰ বিভিন্ন শ্ৰেণী বিভাগ, মৌখিক কলা, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক পৰিৱেশ্য কলাৰ বিষয়ে আলোচনা লাভ কৰিব । তৃতীয় অধ্যায়ত বৰ অসমৰ ধাৰণা, অসম নামৰ উৎপত্তি, বৰ অসম গঠনত সমন্বয় আৰু সমাহৰণ প্ৰক্ৰিয়া, অসমৰ জনগাঁথনিকে ধৰি ভাষা, সাহিত্য, ধৰ্ম, উৎসৱ আনুষ্ঠান, খাদ্য-সাজপাৰ দিশবোৰ সামৰি আলোচনা কৰা হৈছে। চতুৰ্থ অধ্যায়টিত অসমৰ নৃগোষ্ঠীসমূহৰ পৰিচয়, অসমীয়া লোকসংস্কৃতিত বিভিন্ন নৃগোষ্ঠীয় উপাদানৰ বিতং আলোচনা কৰা হৈছে। এই আলোচনাই অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে ধাৰণা প্ৰদান কৰিব। পঞ্চম অধ্যায়ত অসমীয়া লোকসংস্কৃতিৰ অষ্ট্ৰিক আৰু মংগোলীয় উপাদান সমূহৰ সৈতে পৰিচয় হ'ব। অসমীয়া লোকসংস্কৃতিত অষ্ট্ৰিক আৰু মংগোলীয় উপাদান- উৎসৱ-পাৰ্বণ, লোকবিশ্বাস, সামাজিক প্ৰথা, ভৌতিক সংস্কৃতি আদি দিশৰ বিভিন্ন উপাদান ইয়াত আলোচিত হৈছে। ষষ্ঠ অধ্যায়টিৰ শিৰোনাম - অসমীয়া সংস্কৃতিত টাই আহোম উপাদান। টাই আহোম গোষ্ঠীৰ পৰিচয়, অসমীয়া সংস্কৃতিত থকা টাই (আহোম)ৰ ভাষা, সাহিত্য, ধৰ্ম, স্থাপত্য আৰু ভাস্কৰ্য, চিত্ৰকলা, বস্ত্ৰ-অলংকাৰকে ধৰি বিভিন্ন উপাদান সমূহৰ আলোচনা এই অধ্যায়ত কৰা হৈছে। একেদৰেই সপ্তম অধ্যায়টিত অসমীয়া সংস্কৃতিত সম্পৃক্ত হৈ থকা মুছলমানসকলৰ ভাষা, সাহিত্য, ধৰ্ম, স্থাপত্য আৰু ভাস্কৰ্য, চিত্ৰকলা, বস্ত্ৰ-অলংকাৰকে ধৰি বিভিন্ন উপাদান সমূহৰ আলোচনা কৰা হৈছে। অষ্টম অধ্যায়ত ধৰ্ম আৰু সংস্কৃতিৰ বিভিন্ন দিশ সামৰি অসমৰ শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্ম পৰম্পৰাৰ বিষয়ে বিতং আলোচনা কৰা হৈছে। ইয়াৰ পৰা আপোনালোকে অসমীয়া ধৰ্ম পৰম্পৰাৰ ইতিহাস আৰু ক্ৰমবিকাশৰ ৰূপৰেখা পাব। নৱম অধ্যায়ত নৱবৈষ্ণৱ ধৰ্ম আৰু সত্ৰীয়া সংস্কৃতিৰ আলোচনা লাভ কৰিব। দশম অধ্যায়ত অসমৰ স্থাপত্য আৰু ভাস্কৰ্যৰ লগতে পুথিচিত্ৰৰ আভাস পাব। একাদশ অধ্যায়টিয়ে বিশ্বায়নৰ বিভিন্ন দিশ, গণমাধ্যম, জনপ্ৰিয় সংস্কৃতি, চাইবাৰ কালচাৰ আৰু আন ন ন ধাৰা তাৰ আলোচনা সামৰি লৈছে আৰু অসমীয়া সংস্কৃতিত বিশ্বায়নৰ প্ৰভাৱৰ দিশ উন্মোচন কৰিছে।

পাঠ্য বিষয়ৰ দ্বাদশ, ত্ৰয়োদশ আৰু চতুৰ্দশ অধ্যায় তিনিটা মূলত গৱেষণা আৰু তাৰ প্ৰণালী অধ্যয়নৰ বাবে। পৰৱৰ্তী সময়ত আপোনালোকে বিভিন্ন ক্ষুদ্ৰ বা বৃহৎ কলেৱৰৰ গৱেষণা কৰ্মৰ সৈতে সংযুক্ত হৈ পৰিব। সেই কথা মনত ৰাখিয়ে আপোনালোকে যাতে গৱেষণা একোটা আগবঢ়াবলৈ সুবিধা হয়, সেই উদ্দেশ্যেই অধ্যায়সমূহত ক্ৰমে গৱেষণা প্ৰণালী, প্ৰকাৰভেদ, আঁচনি প্ৰস্তুত, তথ্য সংগ্ৰহ আৰু বিশ্লেষণ আদি দিশবোৰত আলোকপাত কৰা হৈছে। দ্বাদশ অধ্যায় আৰু ত্ৰয়োদশ অধ্যায়ত ক্ৰমে গৱেষণাৰ সংজ্ঞা,

প্রয়োজনীয়তা, প্রণালী, বিভিন্ন প্রকাৰ আৰু গৱেষণাৰ আঁচনিৰ লগত জড়িত পূৰ্বৰ সাহিত্যৰ পুনৰীক্ষণ, প্ৰাক কল্পনা, তথ্য আৰু উৎস, গৱেষণা প্ৰক্ৰিয়াৰ বিস্তৃত আলোচনা লাভ কৰিব । চতুৰ্দশ অধ্যায়ত গৱেষণাৰ তথ্যৰ বিভিন্ন পদ্ধতি, ক্ষেত্ৰকৰ্ম, তথ্য বিন্যাস-বিশ্লেষণ, সিদ্ধান্ত আৰু প্ৰতিবেদন লিখনৰ বিভিন্ন দিশৰ আলোচনা পাব। এনেদৰেই এই পাঠ্যবিষয়ে আপোনালোকক সংস্কৃতিৰ বিভিন্ন দিশৰ লগতে গৱেষণাৰ লগত জড়িত দিশবোৰৰ ধাৰণা প্ৰদান কৰিব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল ' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিবিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

# বিষয়সূচী


**অধ্যায় ১** **লোকসংস্কৃতিৰ সাধাৰণ আভাস** ৭-২৫

লোকসংস্কৃতিৰ সংজ্ঞা; লোকসংস্কৃতিৰ বৈশিষ্ট্য ; লোকসংস্কৃতিৰ শ্রেণী বিভাজনঃ মৌখিক সাহিত্য বা বাচিক কলা, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা

**অধ্যায় ২** **অসমীয়া লোকসংস্কৃতিৰ শ্রেণীবিভাজন** ২৬-৪২

অসমীয়া লোকসংস্কৃতিৰ চমু পৰিচয়; অসমীয়া লোকসংস্কৃতিৰ শ্রেণী বিভাজনঃ মৌখিক সাহিত্য বা বাচিক কলা, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা

**অধ্যায় ৩** **বৰ অসম সমন্বয় আৰু সমাহৰণ** ৪৩-৬৮

অসম নামৰ উৎপত্তি; বৰ অসমৰ ধাৰণা, অসমৰ ভৌগোলিক অৱস্থিতি; সমন্বয় আৰু সমাহৰণঃ অসমৰ জনগাঁথনি, ভাষা আৰু সাহিত্য, ধর্ম, উৎসৱ-পার্বণ, সামাজিক লোকাচাৰ, খাদ্য, সাজপাৰ, অলঙ্কাৰ, সঙ্গীত, পৰিৱেশ্য কলা

**অধ্যায় ৪** **অসমীয়া লোকসংস্কৃতিত বিভিন্ন নৃগোষ্ঠীয় উপাদান** ৬৯-৮৮

অসমৰ নৃগোষ্ঠীসমূহ ঃ ভূমিকা, নৃগোষ্ঠীসমূহৰ প্রজাতিগত পৰিচয়; অসমীয়া লোক-সংস্কৃতিত নৃগোষ্ঠীয় উপাদান মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা, ভাষা-সাহিত্য আৰু অন্যান্য বিভিন্ন উপাদান

**অধ্যায় ৫** **অসমীয়া লোকসংস্কৃতিত অষ্ট্রিক আৰু মংগোলীয় উপাদান** ৮৯-১০৭

অসমীয়া লোকসংস্কৃতিত অষ্ট্রিক উপাদান, উৎসৱ-পার্বণ, লোকবিশ্বাস, সামাজিক প্রথা, ভৌতিক সংস্কৃতি, মংগোলীয় জনগোষ্ঠীসমূহৰ চমু পৰিচয়; অসমীয়া সংস্কৃতিত মংগোলীয় বৰোমূলীয় উপাদানঃ মৌখিক সাহিত্য, ভৌতিক সাহিত্য, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা, ভাষা-সাহিত্য আৰু অন্যান্য দিশত অৱদান

**অধ্যায় ৬** **অসমীয়া সংস্কৃতিত টাই (আহোম) উপাদান** ১০৮-১২২

টাই (আহোম) গোষ্ঠীৰ চমু পৰিচয়; অসমীয়া সংস্কৃতিত টাই (আহোম) উপাদান ভাষা, সাহিত্য, ধর্ম, স্থাপত্য আৰু ভাস্কর্য, চিত্রকলা, বস্ত্রশিল্প, অলঙ্কাৰ আৰু অন্যান্য

**অধ্যায় ৭ অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান** ১২৩-১৪১

অসমীয়া সংস্কৃতি আৰু মুছলমানসকলঃ মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ, লোক-পৰিৱেশ্য কলা, ভাষা-সাহিত্য আৰু অন্যান্য দিশত অৱদান

**অধ্যায় ৮ অসমৰ প্ৰাচীন ধৰ্মীয় পৰম্পৰা** ১৪২-১৫৬

ধৰ্ম আৰু সংস্কৃতি; অসমত শৈৱ ধৰ্মৰ পৰম্পৰা, শিৱৰ সহস্ৰ নাম আৰু উপাসনা পদ্ধতি, অসমত শাক্ত ধৰ্মৰ পৰম্পৰা, দেৱীৰ বিভিন্ন ৰূপ, (জনজাতীয় আৰু আহোম সমাজত শৈৱ-শাক্ত ধৰ্ম), অসমত বৈষ্ণৱ ধৰ্মৰ পৰম্পৰা

**অধ্যায় ৯ অসমৰ নৱবৈষ্ণৱ ধৰ্ম আৰু সত্ৰীয়া সংস্কৃতি** ১৫৭-১৭৩

সৰ্বভাৰতীয় ভক্তি আন্দোলন; অসমৰ নৱবৈষ্ণৱ ধৰ্ম: নৱবৈষ্ণৱ ধৰ্মৰ পটভূমি, নৱবৈষ্ণৱ ধৰ্মৰ বৈশিষ্টসমূহ, নৱবৈষ্ণৱ ধৰ্মৰ সীমাবদ্ধতা, সত্ৰ: সাধাৰণ পৰিচয়; সত্ৰৰ সংজ্ঞা, গঠন প্ৰণালী আৰু শ্ৰেণী বিভাজন; সত্ৰীয়া সঙ্গীত, নৃত্য আৰু অঙ্কীয়া নাট; সত্ৰীয়া চিত্ৰকলা; সত্ৰৰ ধৰ্মীয় আচাৰ

**অধ্যায় ১০ অসমৰ স্থাপত্য-ভাস্কৰ্য আৰু পুথিচিত্ৰ** ১৭৪ -১৯২

অসমৰ স্থাপত্য-ভাস্কৰ্য: প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য, আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য; অসমৰ পুথিচিত্ৰ

**অধ্যায় ১১ বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি** ১৯৩-২০৬

বিশ্বায়নৰ চমু পৰিচয়: গণমাধ্যমসমূহ, জনপ্ৰিয় সংস্কৃতি, চাইবাৰ কাল্‌চাৰ আৰু অন্যান্য ন-ধাৰাসমূহ; বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি

**অধ্যায় ১২ গৱেষণা-প্ৰণালী পৰিচয়** ২০৭-২১৫

সংজ্ঞা, প্ৰয়োজনীয়তা, প্ৰণালী, প্ৰকাৰভেদ

**অধ্যায় ১৩ গৱেষণাৰ আঁচনি-সাৰ** ২১৬-২২৪

প্ৰাপ্ত সাহিত্যৰ পুনৰীক্ষণ, প্ৰাক কল্পনা, তথ্য আৰু উৎস, গৱেষণা প্ৰক্ৰিয়া

**অধ্যায় ১৪ গৱেষণাৰ তথ্য সংগ্ৰহ আৰু বিশ্লেষণ** ২২৫-২৩২

তথ্য সংগ্ৰহৰ বিভিন্ন পদ্ধতি, নমুনা বাচনি পদ্ধতি, ক্ষেত্ৰকৰ্ম, তথ্য বিন্যাস তথা বিশ্লেষণ, সিদ্ধান্ত, প্ৰতিবেদন লিখন

**গ্ৰন্থপঞ্জী**